দুয়ো কান্ধ খালি ৰাখি তোমালোকৰ মাজৰ কোনেও যেন এখন কাপোৰত নামাজ নপঢ়ে।

আবু হুৰাইৰাহ (ৰাদ্বিয়াল্লাহু আনহু)ৰ পৰা বৰ্ণিত, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছে : "দুয়ো কান্ধ খালি ৰাখি তোমালোকৰ মাজৰ কোনেও যেন এখন কাপোৰত
নামাজ নপঢ়ে।"
[ছহীহ] [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

দুয়ো কান্ধ খালি ৰাখি এখন কাপোৰ পৰিধান কৰি নামাজ পঢ়িবলৈ নবী চাল্লাল্লাহু আলাইহি অছাল্লামে হাদীছটোত নিষেধ কৰিছে। অৰ্থাৎ ডিঙি আৰু কান্ধৰ মাজৰ ঠাইখিনি ঢাকি ৰাখিব লাগে। যদিও দুয়ো কান্ধ আওৰা (অনিবাৰ্য্যৰূপে ঢাকিবলগীয়া অংগ)ৰ অন্তৰ্ভুক্ত নহয়। কিন্তু দুয়ো কান্ধ ঢাকিলে গোটেই আওৰা ঢাকিবলৈ সুবিধা হয়। এইটো আল্লাহৰ প্ৰতি সন্মান আৰু শ্রদ্ধা দেখুওৱাৰ অন্যতম এটা উত্তম উপায়, বিশেষকৈ যেতিয়া আমি নামাজত তেওঁৰ সন্মুখত থিয় হওঁ।

http://www.sunnah.global/hadeeth/as/show/10639